# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ অষ্টম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল**
**(২০১৭ৰ গুণোৎসৱ আৰু নাচ (NAS)ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য আৰু পাঠ পঢ়ি ভালদৰে বুজি পাব আৰুপাঠৰ প্ৰসংগত কৰা প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে, জুন -২০১৮) লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) প্ৰগতিৰ সোণালী বাট | - পাঠ নং ৬ |
| খ) বস্তুবিজ্ঞান অধ্যয়ন | - পাঠ নং ৭ |
| গ) শ্ৰীশ্ৰীশংকৰদেৱ | - পাঠ নং ৮ |
| ঘ) ভয় | - পাঠ নং ৯ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

২০১৭ ইং চনৰ শিক্ষাবৰ্ষক ভিত্তি কৰি অনুষ্ঠিত হৈ যোৱা তিনিওটা পৰ্যায়ৰ গুণোৎসৱৰ প্ৰতিবেদন মতে কিছুমান ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰ শিকনৰ ক্ষেত্ৰত আশানুৰূপ ফলাফল দেখা পোৱা নাই। আনকি কিছুমান ক্ষেত্ৰত অতি হতাশাজনক সঁহাৰি দেখা পোৱা গৈছে, যেনে— গুণোৎসৱৰ দ্বিতীয় পৰ্যায়ত অষ্টম শ্ৰেণীৰ যুক্তাক্ষৰ ভাঙনি কৰিবলৈ দিয়া ১৭ নং প্ৰশ্নটো আছিল তলত দিয়া ধৰণৰ —

'ঞ্ছ' যুক্তাক্ষৰটো ভাঙিলে হ'ব —

ক) য + ঞ খ) ঞ + ছ

গ) য + ণ খ) ন + য

ওপৰোক্ত প্ৰশ্নটোৰ শুদ্ধ উত্তৰ মাত্ৰ ১২.০৬% শতাংশ ছাত্ৰ-ছাত্ৰীয়েহে দিব পাৰিছে। অৰ্থাৎ যুক্তাক্ষৰসমূহ ছাত্ৰ-ছাত্ৰীসকলে সঠিকভাৱে চিনাক্তকৰণত অপাৰগ হৈছে। যদিও দ্বিতীয় শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ এই সময়ছোৱাৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীসকলে সকলো ধৰণৰ যুক্তাক্ষৰ আৰু যুক্তাক্ষৰযুক্ত শব্দ শুদ্ধকৈ পঢ়ি, বুজি, তাৰ অৰ্থ জানি আহিব লাগে। অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে এইক্ষেত্ৰত হতাশজনক প্ৰদৰ্শন কৰা দেখা গৈছে। অষ্টম শ্ৰেণীৰ পাঠ্যপুথিত যুক্তাক্ষৰৰ পুনৰালোচনাৰ বাবে পাঠ নং ৬ (প্ৰগতিৰ সোণালী বাট), পাঠ নং

১০ (পৰীক্ষিতৰ ব্ৰহ্মশাপ), পাঠ নং ১৩ (হোমি জাহাংগীৰ ভাবা)ত ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। ব্যঞ্জন সন্ধিৰ ক্ষেত্ৰতো কোনো কোনো বৰ্ণ লগ লাগি যুক্তাক্ষৰৰ সৃষ্টি হয়। পাঠ নং ২ (যুগমীয়া শৰাইঘাট)ত ব্যঞ্জনসন্ধিৰ সৈতে জড়িত যুক্তাক্ষৰৰ ক্ৰিয়া-কলাপ দিয়া আছে, যদিও যুক্তাক্ষৰৰ সৈতে জড়িত শিকনৰ ফলাফলত হতাশজনক সঁহাৰি দেখা গৈছে। নিশ্চয় এইক্ষেত্ৰত নতুনকৈ ভাবিবৰ যথেষ্ট থল আছে। ছাত্ৰ-ছাত্ৰীৰ এই শিকন ঘাটি পূৰণ কৰাটো যিহেতু আমাৰ পবিত্ৰ দায়িত্ব, সেইবাবে আমাৰ নিশ্চয় কৰণীয় কিছু আছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

পাঠৰ অৰ্থোদ্ধাৰত যুক্তাক্ষৰৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। বহুত ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰৰ শুদ্ধ উচ্চাৰণ বা ধ্বনিৰ বোধত কিছু জটিলতা পোৱা দেখা গৈছে। দুটা ধ্বনিৰ সংযোগত সৃষ্টি হোৱা এটা নতুন সংযুক্ত ধ্বনিৰ উচ্চাৰণৰ শুদ্ধতাইহে পাঠৰ অৰ্থোদ্ধাৰত যোগাত্মক প্ৰভাৱ পেলায়। আনহাতে দুটা বা ততোধিক বৰ্ণৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন যুক্তাক্ষৰৰ ৰূপটোৱে শিকাৰুৰ মনত সংশয় আৰু জটিলতাৰ সৃষ্টি কৰে। তাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে পাঠোদ্ধাৰ কৌশল আৰু পঠন কৌশল আয়ত্ত কৰাত অসুবিধা পায়। ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰ, একে আখৰৰ যুক্তাক্ষৰ, সৰল যুক্তাক্ষৰ, দুটা বা ততোধিক বৰ্ণৰ স্বৰচিহ্নযুক্ত যুক্তাক্ষৰৰ ভিতৰত এই সমলটোত ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰতেই যিহেতু ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ঘাটি স্পষ্ট ৰূপত ধৰা দিছে, শুদ্ধ পাঠোদ্ধাৰ আৰু পাঠৰ অৰ্থোদ্ধাৰৰ অৰ্থে উপৰি উক্ত শিকনৰ ঘাটি পূৰণৰ বাবে আমি শিক্ষক সমাজে শিক্ষণ-শিকন প্ৰক্ৰিয়াত কিছু অতিৰিক্ত সমল সংযোগ কৰাত গুৰুত্ব দিব লাগিব। পঠন কৌশল আৰু লিখন কৌশলৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। লিখন কৌশলৰ বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে পঠন কৌশল ভালদৰে আয়ত্ত কৰাটো বাঞ্চনীয়। ওপৰত উল্লিখিত যুক্তাক্ষৰ সম্বন্ধীয় সকলোবোৰ শিকন জটিলতা দূৰ কৰি লিখনত ছাত্ৰ-ছাত্ৰীসকলে অনায়াসে যাতে যুক্তাক্ষৰ ব্যৱহাৰ কৰিব পাৰে, তাৰ বাবে এই গোটটোত বিশেষ জোৰ দিয়া হৈছে।

**এই সমল সামগ্ৰীৰ পৰা আমি কি শিকিব পাৰিম ঃ**

এই সমল সামগ্ৰী প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল— অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত উল্লেখ কৰা শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাত যাতে ওপৰঞ্চি নতুন কাৰ্যব্যৱস্থা ল'ব পৰা যায় তাৰ সংকেত দিয়া।

এই সমল সামগ্ৰীত ৬ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপে শিক্ষণ-শিকন প্ৰক্ৰিয়াক আৰু বেছি ফলপ্ৰসূ কৰিব পাৰে নেকি চাওঁ আহক।

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ৬ নং পাঠৰ (প্ৰগতিৰ সোণালী বাট) ১১ নং আৰু ১৩ নং প্ৰশ্নৰ ক্ৰিয়া-কলাপৰ জৰিয়তে ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰৰ গঠন আৰু যুক্তাক্ষৰযুক্ত শব্দৰ অৰ্থ জনাৰ বাবে শিকনৰ ফলাফল নিৰ্ধাৰিত কৰা হৈছে, যেনে,—

⇨ উৎ + মত্ত = উন্মত্ত, সম্ + কৃতি = ☐

উৎ + ঘাটন = ☐ উৎ + চাৰণ = ☐

⇨ **যুক্তাক্ষৰযুক্ত অৰ্থ প্ৰকাশক শব্দ গঠন কৰা ঃ** চ্ছ, স্থ, স্ত, দ্ধ, গ্ৰ, ণ্ট, ণ্ঠ, ঞ্চ আদি।

পাঠ্যপুথিত দিয়া এইকেইটা ক্ৰিয়া-কলাপৰ উপৰি এই যুক্তাক্ষৰবোৰৰ গঠন প্ৰণালী পুনৰালোচনাৰ বাবে নতুন ক্ৰিয়া-কলাপ দিব পাৰি নেকি চিন্তা কৰি চাওঁ আহক।

ছাত্ৰ-ছাত্ৰীসকলৰ শিকন ঘাটি (যুক্তাক্ষৰ সম্বন্ধীয়) ভাষাৰ চাৰিওটা কৌশলতেই নিশ্চয় আছে। যাৰ ফলত **গুণোৎসৱ** আৰু **নাচ** (NAS)ৰ ফলাফলত এই প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

ওপৰত উল্লিখিত যুক্তাক্ষৰ সম্বন্ধীয় শিকন ঘাটি পূৰণৰ বাবে এই সমল সামগ্ৰীৰ জৰিয়তে নতুন ধৰণৰ ক্ৰিয়া-কলাপ অনুসৰণ কৰাৰ ধাৰণা জন্মিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ঃ**

এই সমল সামগ্ৰী অধ্যয়নৰ যোগেদি শিক্ষক হিচাপে আমি ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলত যুক্তাক্ষৰ বিকাশৰ বাবে কিছুমান ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পাৰিম -

⇨ জড়িতকৰণৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

⇨ বিষয়বস্তুৰ অনুসন্ধানৰ বাবে সুবিধা দিব পাৰিম।

⇨ বিষয়বস্তুৰ ব্যাখ্যা কৰাৰ সুযোগ সৃষ্টি কৰিব পাৰিম।

⇨ বিষয়বস্তুৰ বিস্তৃত জ্ঞান লাভৰ সুযোগ সৃষ্টি কৰিব পাৰিম।

এই কেইটা স্তৰৰ জৰিয়তে নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।

⇨ অভ্যাস অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।

⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি শিক্ষকসকলে আত্মমূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপ অনুশীলনৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) যুক্তাক্ষৰযুক্ত শব্দ লিখিব পাৰিব। | ➢ যুক্তাক্ষৰ কাৰ্ড | ক্ৰিয়া-কলাপ | ক) ভাৰতৰ বৰ্তমান প্ৰধানমন্ত্ৰী আৰু অসমৰ বৰ্তমানৰ শিক্ষামন্ত্ৰীজনৰ নাম লিখি, তেওঁলোকৰ নাম দুটাত থকা যুক্তাক্ষৰবোৰ বাছি উলিয়াই ভাঙি দেখুওৱা আৰু অভিধান চাই তাৰ অৰ্থ উলিয়াই সেই শব্দটোৰে এটা নতুন বাক্য সাজা। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| খ) যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য আৰু পাঠ পঢ়ি বুজি লিখিব পাৰিব আৰু পাঠৰ প্ৰসংগত কৰা প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব। | ➢ যুক্তাক্ষৰ থকা শব্দৰে গঠিত বাক্যৰ তালিকা | ক্ৰিয়া-কলাপ | খ) তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি নতুনকৈ শব্দ গঠন কৰা।<br>স্ত, স্ফ, স্মৃ, ন্ত, ন্থ, ন্স<br>➢ তলত দিয়া শব্দকেইটা ব্যৱহাৰ কৰি এটা দফা লিখা - স্বাধীন, ৰাষ্ট্ৰ, ভাৰতবৰ্ষ, জাতীয় পতাকা, ত্ৰিৰঙ্গ, আগষ্ট, গণতন্ত্ৰ, মহাত্মা গান্ধী, স্তম্ভ। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

**ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰৰ শুধৰণিৰ বাবে লোৱা ব্যৱস্থাৱলী ঃ**

নলবাৰী জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ শিক্ষক জয়ন্ত ডেকা ছাৰৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এই শিকন ঘাটিসমূহ দৃষ্টিগোচৰ হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে বিশেষকৈ ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ শুদ্ধভাৱে পঢ়িব নোৱাৰে, যেনে,— দ্ধ, ঞ্চ, জ্জ, ঞ্জ, ঞ্চ ইত্যাদি। তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশলৰ বিকাশত বাধা পৰিছিল। পাঠ পঢ়ি, বুজি পাঠৰ সন্দৰ্ভত কৰা প্ৰশ্নৰ উত্তৰ লিখনত বিৰূপ প্ৰভাৱ স্পষ্ট ৰূপত ধৰা পৰিছিল। ডেকা ছাৰে সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে এই বিষয়ত আলোচনা কৰি এই শিকনৰ ঘাটি পূৰণৰ বাবে কিছু নতুন ধৰণৰ ক্ৰিয়া-কলাপ শিক্ষণ-

শিকন প্ৰক্ৰিয়াত প্ৰয়োগ কৰিলে আৰু তাৰ সুফলো লাভ কৰিলে। ডেকা ছাৰে শ্ৰেণীকোঠাত কি কৰিছিল চাওঁ আহক—

**প্ৰস্তুতি ঃ**

জয়ন্ত ডেকা ছাৰে প্ৰথমে কিছুমান পুৰণি দৈনিক বাতৰি-কাকত আৰু আলোচনী সংগ্ৰহ কৰি ল'লে। তাৰপাছত ৮ ৰ পৰা ১০টা মান শাৰী থকা দহটা দফা বাছি উলিয়ালে, য'ত ওপৰত উল্লিখিত যুক্তাক্ষৰসমূহ যথেষ্ট পৰিমাণে আছে। সেইবোৰ সুন্দৰকৈ কাটি ল'লে। ব্যঞ্জন সন্ধি হোৱা আটাইকেইটা যুক্তাক্ষৰৰ তালিকা এখন পুৰণি কেলেণ্ডাৰৰ পাছফালে প্ৰস্তুত কৰিলে। আন এখন কেলেণ্ডাৰত ব্যঞ্জন সন্ধিৰ যুক্তাক্ষৰবোৰৰ ভাঙনি ৰূপৰ তালিকা প্ৰস্তুত কৰি ল'লে।

শ্ৰেণীকোঠাত প্ৰথমে ডেকা ছাৰে মুঠ ২১ গৰাকী ছাত্ৰ-ছাত্ৰীক ৩ জনকৈ ৭ টা দলত ভাগ কৰি ল'লে। তাৰপিছত প্ৰতিটো দলতে বাতৰি-কাকত আৰু আলোচনীৰ পৰা কাটি লোৱা দফাৰ টুকুৰাবোৰ এখন-এখনকৈ দিলে। ছাত্ৰ-ছাত্ৰীসকলক সেই দফাবোৰত থকা আটাইবোৰ যুক্তাক্ষৰৰ তলত কাঠ পেঞ্চিলেৰে দাগ দিবলৈ ক'লে। তাৰ পাছত দফাত পোৱা আটাইবোৰ যুক্তাক্ষৰ দলগতভাৱে নিজৰ নিজৰ দলত লিখি উলিয়াবলৈ দিলে। যুক্তাক্ষৰবোৰ দলত আলোচনা কৰি ভাঙনি কৰিবলৈ দিলে। ছাত্ৰ-ছাত্ৰীসকলে ভাঙনি কৰাৰ পাছত ডেকা ছাৰে আগতে প্ৰস্তুত কৰি থোৱা যুক্তাক্ষৰ বিভাজনৰ তালিকাখন আঁৰি দি দলৰ ভিতৰত সলনা-সলনি কৰি শুদ্ধাশুদ্ধ বিচাৰ কৰিবলৈ দিলে। তাৰপাছত প্ৰতিটো দলৰে এজনক যুক্তাক্ষৰবোৰ স্পষ্টভাৱে উচ্চাৰণ কৰি মাতিবলৈ দিলে। অশুদ্ধ হোৱা যেন পালে আনবোৰক শুধৰাই দিবলৈ উৎসাহিত কৰিলে। ডেকা ছাৰে আগতে প্ৰস্তুত কৰি থোৱা যুক্তাক্ষৰৰ তালিকাখন আঁৰি দিলে। তাত থকা যুক্তাক্ষৰবোৰ ছাত্ৰ-ছাত্ৰীসকলে আগতে উলিয়াই লোৱা যুক্তাক্ষৰবোৰৰ তালিকাখনৰ সৈতে ৰিজাই চাবলৈ ক'লে। পুনৰ পাঠ্যপুথিৰ ৬ নং পাঠটোত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ লিখিবলৈ দিলে। পাঠত থকা যুক্তাক্ষৰ আৰু দফাবোৰৰ পৰা বাছি উলিয়াই লোৱা যুক্তাক্ষৰবোৰৰ উপৰি ডেকা ছাৰে প্ৰস্তুত কৰা তালিকাখনত থকা অতিৰিক্ত যুক্তাক্ষৰবোৰ বাছি উলিয়াবলৈ দিলে। তাৰ পাছত যুক্তাক্ষৰবোৰ বৰ্ণ অনুযায়ী বৰ্গীকৰণ কৰিবলৈ উৎসাহিত কৰিলে; যেনে,—

| **স** + | **ন** + | **ণ** + | **প** + | |
|---|---|---|---|---|
| স্ত | ন্ত | | | |
| স্ফ | ন্থ | | | |
| স্মৃ | ন্স | | | |

তাৰপাছত ডেকা ছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যেককে এককভাৱে ৫ টাকৈ যুক্তাক্ষৰ দি দুটাকৈ নতুন শব্দ গঠন কৰিবলৈ দিলে আৰু সেই শব্দবোৰৰ অৰ্থ লিখি এটাকৈ বাক্য ৰচনা কৰিবলৈ দিলে। ডেকা ছাৰে ছাত্ৰ-ছাত্ৰীসকলক সকলো সময়তে উৎসাহিত আৰু সহায় কৰিছিল। নতুনকৈ পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰৰ অৰ্থৰ বাবে অভিধান চাবলৈ উৎসাহিত আৰু সহায় কৰিছিল। শেষত তেওঁলোকক চিনাকি বন্ধু-বান্ধবী, আত্মীয়-স্বজন, ওচৰ চুবুৰীয়া, প্ৰখ্যাত ব্যক্তি, যিসকলৰ নামসমূহত যুক্তাক্ষৰ আছে, বোৰ্ডত সেই নামসমূহৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ দিলে।

এই গোটেই ক্ৰিয়া-কলাপবোৰ কৰাবলৈ জয়ন্ত ডেকা ছাৰে ৫ দিনৰ ৫ টা কালাংশ (পিৰিয়দ) ব্যৱহাৰ কৰিছিল। এনেদৰে ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰ শিকনৰ বাবে কাৰ্যব্যৱস্থা লোৱাত ছাত্ৰ-ছাত্ৰীসকল বৰ আনন্দিত, উৎসাহিত হোৱা দেখা গৈছিল। ডেকা ছাৰে মন কৰিছিল যে সমগ্ৰ প্ৰক্ৰিয়াটোত ছাত্ৰ-ছাত্ৰীসকলে সহজে যুক্তাক্ষৰৰ জটিলতাবোৰ বুজি পাইছিল। তেওঁলোকৰ যুক্তাক্ষৰৰ গঠন, উচ্চাৰণ আৰু বিভাজনৰ প্ৰক্ৰিয়াবোৰ বোধগম্য হৈছিল। অনন্ত ডেকা ছাৰে নিজেও সন্তুষ্টি লাভ কৰিছিল।

*বিঃদ্ৰঃ- জয়ন্ত ডেকা ছাৰে প্ৰথমদিনা উপস্থিত নথকা ছাত্ৰ দুগৰাকীক পাছৰ দিনকেইটাত উপস্থিত কৰাবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলে ব্যঞ্জন সন্ধিৰ যোগে গঠিত যুক্তাক্ষৰ চিনাক্তকৰণত পোৱা জটিলতা আঁতৰ কৰিবলৈ জয়ন্ত ডেকা ছাৰে কি পদক্ষেপ ল'লে?

⇨ জয়ন্ত ডেকা ছাৰে বিষয়বস্তুৰ সৈতে বাৰে বাৰে জড়িতকৰণেৰে ছাত্ৰ-ছাত্ৰীক ব্যঞ্জন সন্ধি হোৱা যুক্তাক্ষৰ গঠন আৰু বিভাজনৰ কৌশল আয়ত্ত কৰাবলৈ আৰু কি কি কৰিব পাৰিলেহেঁতেন?

⇨ ওপৰত উল্লেখ কৰা জয়ন্ত ডেকা ছাৰে শ্ৰেণীকোঠাত কৰা ক্ৰিয়া-কলাপৰ আলমত আমি উদ্ভাৱনীমূলক আন ক্ৰিয়া-কালাপ ব্যৱহাৰ কৰিব নোৱাৰোনে?

ওপৰত বৰ্ণনা কৰা জয়ন্ত ডেকা ছাৰে শ্ৰেণীকোঠাত কৰা ক্ৰিয়া-কলাপটোৰ আলমত তলত দিয়া ধৰণে আমিও আমাৰ শ্ৰেণীকোঠাত কৰি চাওঁ আহক -

**ক্ৰিয়া-কলাপঃ**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰবোৰ ভালদৰে পঢ়িব যেনে, —

স্ব + অধীন =স্বাধীন, উৎ + নতি = উন্নতি, উৎ + মত্ত = উন্মত্ত।

উৎ + নয়ন = উন্নয়ন, সম্ + গীত = সংগীত, উৎ + চাৰণ = উচ্চাৰণ আদি গঠন কৰাত প্ৰায়েই অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। এই সমস্যা সমাধানৰ বাবে আমি তলত দিয়া ধৰণে ক্ৰিয়া-কলাপ কৰিব পাৰোঁ নেকি চাওঁ আহক।

**প্ৰস্তুতি ঃ**

তলত দিয়া তালিকা আৰু সামগ্ৰীসমূহ আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব লাগিব।

⇨ ব্যঞ্জন সন্ধিৰ ফলত সৃষ্টিহোৱা যুক্তাক্ষৰৰ তালিকা।

⇨ ব্যঞ্জন সন্ধিৰ যুক্তাক্ষৰৰ ভাঙনি তালিকা।

⇨ পুৰণি বাতৰি-কাকত আৰু আলোচনী

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমতে সৰু সৰু দলত ভাগ কৰি ব্যঞ্জন সন্ধিৰ তালিকাখন দেখুৱাই তাত থকা শব্দবোৰ ভাঙিবলৈ দিব পাৰি। শব্দবোৰ ভাঙনি কৰাৰ পাছত দলত সলনা-সলনি কৰি ব্যঞ্জন সন্ধিৰ ভাঙনি থকা তালিকাখনৰ সহায়ত শুদ্ধ কৰিবলৈ দিয়া হ'ব। শুদ্ধকৰা শব্দবোৰ পুনৰ বোৰ্ডত লিখিবলৈ দিব। তাৰপাছত সেই শব্দবোৰৰ সহায়ত বাক্য লিখিবলৈ দিব। তাৰ পাছত পুৰণি বাতৰি-কাকত আৰু আলোচনীবোৰ দলত দি যিকোনো এটা দফাৰ পৰা ব্যঞ্জন সন্ধিৰ ফলত হোৱা যুক্তাক্ষৰবোৰ বাছি উলিয়াবলৈ দিব।

বাতৰি-কাকত আৰু আলোচনীত পোৱা শব্দবোৰ পাঠ্যপুথিত থকা শব্দবোৰৰ সৈতে মিলাব। নতুনকৈ পোৱা শব্দবোৰ বা আগতে নোপোৱা শব্দবোৰ অভিধানত চাই অৰ্থ লিখিব। এইদৰে নতুন নতুন শব্দবোৰ ব্যৱহাৰ কৰি নতুন নতুন বাক্য গঠন কৰাৰ বাবে উৎসাহিত কৰিব পাৰিব।

*বিঃ দ্ৰঃ*

⇨ *শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি; সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ নেকি ভাবোঁ আহক!*

**সাৰাংশ ঃ**

ব্যঞ্জন সন্ধিৰ যুক্তাক্ষৰৰ জটিলতা ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে দূৰ হোৱা দেখা গৈছে। জয়ন্ত ডেকা ছাৰে বাৰে বাৰে ছাত্ৰ-ছাত্ৰীসকলে বিৰক্তিবোধ নকৰাকৈ ইপ্সিত লক্ষ্যত উপনীত কৰাবলৈ বিভিন্ন ক্ৰিয়া-কলাপৰ জৰিয়তে সক্ষম হৈছে। পাঠৰ অন্তৰ্ভুক্ত আৰু পাঠ বহিৰ্ভূত ৰচনাৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াত নতুনত্ব আনিছে। বাৰে বাৰে স্ব-মূল্যায়ন কৰাৰ সুযোগ সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক বাহ্যিক পৰিৱেশৰ সৈতে জড়িত কৰি তেওঁলোকক চিন্তা আৰু সৃষ্টিশীল কৰ্মৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰোৱা হৈছে।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন -

উপৰি উক্ত শিকনৰ ফলাফলৰ সৈতে জড়িত তলত দিয়া প্ৰশ্নবোৰ আমি শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক সোধোঁ আহক —

⇨ ভাৰতৰ বৰ্তমান প্ৰধানমন্ত্ৰী আৰু অসমৰ বৰ্তমানৰ শিক্ষামন্ত্ৰীজনৰ নাম দুটা লিখি, নাম দুটাত থকা যুক্তাক্ষৰবোৰ বাছি উলিয়াই, ভাঙি দেখুওৱা আৰু অভিধান চাই অৰ্থ উলিয়াই সেই শব্দটোৰে এটা নতুন বাক্য সাজা।

⇨ তলত দিয়া শব্দবোৰৰ যুক্তাক্ষৰবোৰ বাছি উলিয়াই সেই যুক্তাক্ষৰ থকা নতুন একোটা শব্দ লিখা।

উচ্চাৰণ, উচ্ছন্ন, বাগিন্দ্ৰিয়, সংস্কৃত, উন্নয়ন।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ তলত দিয়া শব্দবোৰ যোগ কৰি যুক্তাক্ষৰবোৰ গঠন কৰা আৰু সংযুক্ত শব্দবোৰ সম্পূৰ্ণকৈ লিখা —

স্ব + অধীন = [ ], উৎ + নতি = [ ] , বাক্ + ইন্দ্ৰিয় = [ ] , সৎ + জন = [ ], সম্ + কৃতি = [ ]

⇨ তলত দিয়া ৰূপসলনি হোৱা যুক্তাক্ষৰবোৰ ভাঙি লিখা -

প্ৰকাণ্ড, স্কুল, সম্পদ, যথেষ্ট, উচ্ছ্বাস।

⇨ তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি বাক্য সাজা -

স্বাৱলম্বী, গ্ৰন্থ, মনস্তাত্বিক, মগ্ন, মন্দাকিনী, উচ্ছৃংখল, অজ্ঞতা।

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ।

⇨ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা ঃ চক্ৰেশ্বৰ দাস।

⇨ গুণোৎসৱ আৰু নাচ (NAS)2017 ৰ ফলাফল।

⇨ অসমীয়া আখৰ জোঁটনি - গুৱাহাটী বিশ্ববিদ্যালয়।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***